Regional News Unit
All India Radio, Guwahati
0000000000

**Date :** 08-08-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

0000000

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে আজি তিনিচুকীয়াৰ আৰক্ষী অতিথিশালাত এখন আইন-শৃংখলা সম্পৰ্কীয় পৰ্যালোচনা বৈঠকত উপস্থিত থাকে। সেনা, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু তিনিচুকীয়া জিলাৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিত এই বৈঠকত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে যিকোনো ধৰণৰ সম্ভাব্য কূটাঘাত ৰোধ কৰিবলৈ নিৰাপত্তাৰক্ষীসকলক সাজু হৈ থাকিবলৈ আহ্বান জনায়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে আলফা স্বাধীনক অসমত প্ৰৱেশত বাধা প্ৰদান কৰিবলৈ নিৰাপত্তাৰক্ষী সাজু হৈ আছে। তেওঁ কয় যে আলফাই কূটাঘাত সংঘটিত কৰিলে অসম আৰক্ষী অধিক সক্ৰিয়তাৰে আলফা-বিৰোধী অভিযান চলাব। ইফালে, বাংলাদেশৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত তেওঁ কয় যে অসম আৰক্ষীয়ে বাংলাদেশৰ পৰিস্থিতি পৰ্যালোচনা কৰি আছে। সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে সীমান্ত সুৰক্ষা বাহিনীও সক্ৰিয় হৈ থকা বুলি তেওঁ উল্লেখ কৰে। ইফালে, বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে অসম আৰক্ষীয়ে দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা মানকাচৰ আদি সীমান্তৱৰ্ত্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক অধিক সক্ৰিয় হ'বলৈ কোৱা হৈছে।

ইফালে, সঞ্চালক প্ৰধান শ্ৰীসিঙে যোৰহাটতো সমাগত স্বাধীনতা দিৱসৰ নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। তেওঁ জিলা আৰক্ষী অধীক্ষকৰ লগতে জিলাখনৰ উচ্চপদস্থ আৰক্ষী বিষয়াসকলৰ সৈতে আইন-শৃংখলা, জনসাধাৰণৰ নিৰাপত্তা, অপৰাধ আদিৰ বিষয়ে পৰ্যালোচনা কৰে। তেওঁ কিদৰে জিলাখনত শান্তি-সম্প্ৰীতি ৰক্ষা কৰিব পাৰি সেই বিষয়ে পৰামৰ্শ আগবঢ়ায়।

ooooooo

বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী পৰ্যবেক্ষণৰ বাবে আজি শিৱসাগৰ জিলা পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ত জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ লগত বৈঠক অনুষ্ঠিত কৰি অমৃত বৃক্ষ আন্দোলনৰ অগ্ৰগতিৰ বুজ লয়। পাছত এই কাৰ্যসূচীৰ অংশ হিচাপে গছপুলি ৰোপণ কাৰ্যসূচীতো মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। তেওঁ লগতে চহৰখনৰ ফুকন নগৰত নিৰ্মাণ কৰিবলৈ লোৱা ইকো-পাৰ্কৰো শিলান্যাস কৰে।

তিনিচুকীয়া জিলাত এই আন্দোলনৰ অংশ হিচাপে জিলাখনৰ ডুমডুমা মহাবিদ্যালয়ত বিধায়ক ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। বিধায়কগৰাকীয়ে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে।

ooooooo

দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ চাৰিখনকৈ ৰেডিয়েল গেট মুকলি কৰাৰ পাছতে গোলাঘাট জিলাৰ মেৰাপানী, সৰুপানী, সোণালী পথাৰ, বৰবালিটোপ, পদুমপথাৰ, কাছমাৰীৰ ইটানগৰ, কাকজান আদি গাঁওসমূহ প্লাৱিত হৈছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে ধনশিৰি আৰু দৈয়াং নদীৰ কাষৰীয়া অঞ্চলৰ জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। প্ৰশাসনে নদীকাষৰীয়া অঞ্চলৰ লোকসকলক নদীত মাছ ধৰা, সাঁতোৰা, গা ধোৱা আদি কাৰ্যৰ পৰা বিৰত থকাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। ইফালে, বতৰ বিজ্ঞানৰ আগজাননী অনুসৰি জিলাখনত অহা ২৪ ঘণ্টাৰ ভিতৰত নিম্নৰ পৰা মধ্যমীয়া বান পৰিস্থিতিৰ সম্ভাৱনা আছে। ইতিমধ্যে সম্ভাব্য যিকোনো পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী সম্ভম হৈ আছে।

ooooooo

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি জেংৰাইমুখত বাল্যবিবাহ প্ৰতিৰোধী আইন, শিশু যৌন নিৰ্যাতন সুৰক্ষা আইন, শিশু শ্ৰমিক প্ৰতিৰোধী আইন সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে শিক্ষাৰ্থীসকলক বাল্য বিবাহৰ ভয়াবহতা আৰু শিশু যৌন নিৰ্যাতন প্ৰতিৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে আলোকপাত কৰে। তেওঁলোকে এই অপৰাধবোৰ প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট আইনৰ বিভিন্ন ধাৰা আৰু ইয়াৰ অধীনৰ শাস্তিসমূহো ব্যাখ্যা কৰে। তদুপৰি শিশু শ্ৰমিক প্ৰতিৰোধ আইন সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে নিচাযুক্ত দ্ৰব্য সেৱন আৰু ইয়াৰ ভয়াবহতা সম্পৰ্কে শিক্ষাৰ্থীসকলক বিৱৰি কয়।

০০০০০০০

অহা ১৬ আগষ্টৰ পৰা ৩০ ছেপ্তেম্বৰলৈ হ'বলগীয়া ডিজিটেল শস্য জৰীপৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলাৰ ৰাজহ চক্ৰ পৰ্যায়ৰ জৰীপকাৰী, তত্বাৱধায়ক আৰু পৰীক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণত সমল ব্যক্তিসকলে নিৰ্দিষ্ট শস্য জৰীপ এপৰ জৰিয়তে কিদৰে জৰীপ কাৰ্য সম্পন্ন কৰিব লাগিব সেই বিষয়ে বিশদভাৱে আলোচনা কৰে। তদুপৰি প্ৰশিক্ষাৰ্থীসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত নিয়াৰিকৈ সকলো সম্পন্ন কৰিবলৈ আহ্বান জনোৱা হয়।

০০০০০০০

পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ মহকুমাৰ অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বোৰ্ড আৰু মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সৌজন্যত মকুমাটোৰ অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ মাজত টেলিভিছন চেট আৰু চকী-টেবুল বিতৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। চলিত বৰ্ষত মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অধীনত অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ বাবে এই সামগ্ৰীসমূহ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

সমাপ্ত